PG S1 03 (VAC)

দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম

(চি.বি.চি.এচ., এন. ই. পি. ২০২০ অনুসৰি)

প্ৰথম ষাণ্মাসিক

ভাৰতীয় পৰম্পৰাগত জ্ঞান কোষ



পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° **দীপ্তি ফুকন পাটগিৰি**, অধ্যাপক, (অৱসৰপ্রাপ্ত), অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **উপেন ৰাভা হাকাচাম,** অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **বিমল মজুমদাৰ**, অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

পাঠ্যবিষয়ৰ সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, সহযোগী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ড° ইন্দ্রানী ডেকা, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অধ্যায়ৰ নাম	লেখক
১	বেদান্ত যোগ দর্শনৰ পৰিচয়	ড° ৰশ্মি ৰেখা গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয়
২	আয়ুর্বেদ আৰু বাস্তুশাস্ত্র	ড° ইন্দিৰা শইকীয়া বৰা, প্রাগজ্যোতিষ মহাবিদ্যালয়
৩	বেদান্ত দর্শনৰ পৰিচয়	ড° ভাৰতী গোস্বামী, বি. বৰুৱা মহাবিদ্যালয়
৪	অলংকাৰ শাস্ত্রৰ সম্প্রদায়সমূহ	ড° গায়ত্রী শর্মা, সন্দিকৈ মহাবিদ্যালয়
৫	কৌটিল্যৰ অর্থশাস্ত্রঃ পৰিচয়	ড° সুদেষ্ণা ভট্টাচার্য, গুৱাহাটী বিশ্ববিদ্যালয
৬	চৰক সংহিতাঃ সাধাৰণ আলোচনা	ড° জগদীশ শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়
৭	অসমত ৰচিত হোৱা সংস্কৃত কাব্য	ড° ৰাতুল বুজৰবৰুৱা, কুমাৰ ভাস্কৰ বর্মা সংস্কৃত আৰু পু�ৰাতন অধ্যয়ন বিশ্ববিদ্যালয়

সম্পাদনা

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° **মুক্তা বিশ্বাস,** গুৱাহাটী বিশ্ববিদ্যালয় ১, ৩
ড° **ভাৰতী গোস্বামী,** বি বৰুৱা মহাবিদ্যালয়, ২, ৪, ৫ আৰু ৬
ড° **জগদীশ শর্মা,** গুৱাহাটী বিশ্ববিদ্যালয়, ৭
গাঁথনিক সম্পাদনা ঃ ড° **ইন্দ্রানী ডেকা,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ড° **নিভা ৰাণী ফুকন**, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

জুলাই, ২০২৩

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike **4.0 License (international)** *http://creativecommons.org/licenses/by-nc-sa/4.0/*

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।
এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।
মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭
মহানগৰ কার্য্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২; Web : www.kkhsou.in

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **যোগ দর্শনৰ পৰিচয়** ৭-২২

দর্শনৰ সংজ্ঞা, দার্শনিক পৰিভাষাত যোগৰ মূল্যায়ন, যোগৰ সংজ্ঞা আৰু অর্থবিচাৰ, যোগৰ উৎপত্তি, যোগ সাহিত্য, যোগ পণ্ডিতসকল, যোগৰ শ্রেণী বিভাজন, যোগ দর্শনৰ মূল সিদ্ধান্তসমূহ, যোগৰ লক্ষ্য আৰু উদ্দেশ্য

অধ্যায় ২ ঃ **আয়ুর্বেদ আৰু বাস্তুশাস্ত্র** ২৩-৩৭

আয়ুর্বেদ বা চিকিৎসা শাস্ত্র, আয়ুর্বেদ শাস্ত্রৰ উদ্দেশ্য আৰু ভাগ, আয়ুর্বেদ শাস্ত্রৰ উৎস, বিভিন্ন আয়ুর্বেদ শাস্ত্রৰ উল্লেখ, বাস্তুশাস্ত্র পৰিচয়, বাস্তুশাস্ত্রৰ উৎস, বিভিন্ন বাস্তু শাস্ত্রৰ উল্লেখ, শব্দার্থ তালিকা

অধ্যায় ৩ ঃ **বেদান্ত দর্শনৰ পৰিচয়** ৩৮-৫২

বেদান্তৰ উৎপত্তি আৰু ক্রমবিকাশ, অদ্বৈত বেদান্ত দর্শনৰ বিভিন্ন বিষয়বস্তুৰ চমু আভাস, জ্ঞানতত্ত্ব,ব্রহ্মতত্ত্ব, জগততত্ত্ব, মায়াতত্ত্ব, ঈশ্বৰতত্ত্ব, জীৱতত্ত্ব, মোক্ষতত্ত্ব

অধ্যায় ৪ ঃ **অলংকাৰ শাস্ত্রৰ সম্প্রদায়সমূহ** ৫৩-৬২

কাব্যশাস্ত্রৰ আৰম্ভণি আৰু বিকাশ, অলংকাৰ শাস্ত্রৰ বিভিন্ন সম্প্রদায়

অধ্যায় ৫ ঃ **কৌটিল্যৰ অর্থশাস্ত্রঃ পৰিচয়** ৬৩-৭৪

অর্থশাস্ত্রৰ ৰচয়িতা, অর্থশাস্ত্রৰ বিষয়বস্তু, অর্থশাস্ত্রৰ নামকৰণৰ তাৎপর্য, ভাৰতীয় পৰম্পৰাগত অর্থশাস্ত্রৰ গুৰুত্ব

অধ্যায় ৬ ঃ **চৰক সংহিতাঃ সাধাৰণ আলোচনা** ৭৫-৮৬

আয়ুর্বেদঃ আয়ুর্বেদৰ অৱতৰণ, চৰক সংহিতাৰ পৰম্পৰা, চৰক সংহিতাৰ অধ্যায় বিভাগ, চৰক সংহিতাৰ অধ্যায়সমূহৰ নামকৰণ, চৰক সংহিতা টীকাকাৰ

অধ্যায় ৭ ঃ **অসমত ৰচিত হোৱা সংস্কৃত কাব্য** ৮৭- ১০২

ধর্ম শাস্ত্র অথবা স্মৃতিশাস্ত্রঃ তন্ত্র সাহিত্য, পুৰাণ সাহিত্য, নাটক, ব্যাকৰণ, কাব্যঃ শ্রীকৃষ্ণলীলামৃত্মঞ্জ, সতী জয়মতী, শ্লোকমালা, পতাকান্যায়, প্রকামকামৰূপমঞ্জ, অবিনাশি, কবিকৌতূহলমঞ্জ, প্রশস্তিমূলক কাব্য, ব্যঞ্জনাপ্রপঞ্চ সমীক্ষা, অপঁদিত কাব্য

প্রসঙ্গ পুথি ঃ ১০৩- ১০৪

পাঠ্যবিষয়ৰ পৰিচয় ঃ ভাৰতীয় পৰম্পৰাগত জ্ঞানকোষ

পৰম্পৰাগত ভাৰতীয় জ্ঞান কোষ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্ৰৰ অসমীয়া বিভাগে স্নাতকোত্তৰ CBCS অসমীয়া পাঠ্যক্ৰমৰ অন্তৰ্গত মূল্য সংযোজিত পাঠ্যবিষয় (VAC) অন্যতম হিচাপে এই "ভাৰতীয় পৰম্পৰাগত জ্ঞানকোষ" প্ৰস্তুত কৰিছে। বিশ্ববিদ্যালয়ে আগবঢ়োৱা দুই ক্ৰেডিট যুক্ত অন্যান্য মূল্য সংযোজিত পাঠ্যবিষয়ৰ অন্যতম হিচাপে শিক্ষাৰ্থীয়ে এইখনো নিৰ্বাচন কৰি ল'ব পাৰিব। এই বিশেষ পাঠ্যবিষয়ৰ অন্তৰ্গত পাঠসমূহে শিক্ষাৰ্থীক নিজৰ মাতৃভূমি ভাৰতবৰ্ষৰ ঐতিহ্যময় আৰু বহুমূলীয়া জ্ঞানৰ ভাণ্ডাৰৰ লগত পৰিচয় কৰাই দিয়াৰ লগতে বৰ্তমান সময়ত তাৰ প্ৰাসঙ্গিকতা সম্পৰ্কেও সচেতন কৰিব বুলি আশা কৰা হৈছে।

সৰ্বমুঠ সাতটা অধ্যায়ৰ সমষ্টি "ভাৰতীয় পৰম্পৰাগত জ্ঞান কোষ" খন মহান ভাৰতীয় জ্ঞান কোষৰ অন্তৰ্গত কেইটামান বিশেষ বিষয় নিৰ্বাচন কৰি শিক্ষাৰ্থীৰ বাবে আগবঢ়াইছে। সেই বিষয়সমূহৰ ভিতৰত প্ৰথমটো হৈছে "যোগ দৰ্শনৰ পৰিচয়"। ভাৰতীয় জীৱন চিন্তাত যোগৰ মহত্বপূৰ্ণ স্থান আছে। যোগৰ লগত ব্যক্তিৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক- এই তিনিওটা দিশৰে উৎকৰ্ষ জড়িত হৈ আছে। "যোগ দৰ্শনৰ পৰিচয়" শীৰ্ষক পাঠ্যবিষয়ৰ প্ৰথমটো অধ্যায়ত যোগৰ অৰ্থ, সংজ্ঞাৰ লগতে উৎপত্তি, শ্ৰেণীবিভাজন, লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়টো হৈছে, "আয়ুৰ্বেদ আৰু বাস্তুশাস্ত্ৰ"। আয়ুৰ্বেদ শাস্ত্ৰৰ লগত আমাৰ প্ৰাচীন চিকিৎসা পদ্ধতিৰ ইতিহাস জড়িত। পাশ্চাত্যত আধুনিক চিকিৎসা বিজ্ঞানৰ ক্ৰমবিকাশৰ বহু পূৰ্বে ভাৰতবৰ্ষই আয়ুৰ্বেদৰ মাধ্যমেদি ৰোগ নিদানৰ যি ব্যৱস্থা দিছিল তাৰ লিপিবদ্ধ ৰূপেই হৈছে আয়ুৰ্বেদ শাস্ত্ৰ। সেইদৰে ভৌতিক সংস্কৃতি (material culture) আৰু ব্যক্তিৰ ব্যৱহাৰিক জীৱনৰ লগত বাস্তুশাস্ত্ৰৰ সম্পৰ্ক আছে। বাস্তু শাস্ত্ৰও ভাৰতীয় জীৱন চিন্তাৰ ব্যৱহাৰিক দিশ আৰু দৈনন্দিন জীৱনত ব্যক্তিয়ে আচৰণ কৰিবলগীয়া আৰু পালন কৰিবলগীয়া নীতি-নিয়মৰ লগত জড়িত। ভাৰতীয় আধ্যাত্মিক জীৱনৰ পৰিচয় বহনকাৰী অধ্যায় হৈছে পাঠ্যবিষয়ৰ তৃতীয়টো অধ্যায় "বেদান্ত দৰ্শনৰ পৰিচয়"। ইয়াত বেদান্তৰ উৎপত্তি, জ্ঞানতত্ত্ব, ব্ৰহ্মতত্ত্ব, জগততত্ত্ব, মায়াতত্ত্ব, ঈশ্বৰতত্ত্ব, জীৱতত্ত্ব আৰু মোক্ষতত্ত্বৰ ওপৰত আলোকপাত কৰা হৈছে। পাঠ্যবিষয়ৰ চতুৰ্থ অধ্যায় "অলংকাৰ শাস্ত্ৰৰ সম্প্ৰদায়সমূহ"ত কাব্যশাস্ত্ৰৰ আৰম্ভণি আৰু বিকাশ, অলংকাৰ-শাস্ত্ৰৰ বিভিন্ন সম্প্ৰদায়সমূহৰ পৰিচয় আগবঢ়োৱা হৈছে। প্ৰাচ্যতত্ত্ব অধ্যয়নৰ ক্ষেত্ৰত অলংকাৰ শাস্ত্ৰৰ সম্প্ৰদায়সমূহৰ বিষয়ে ধাৰণা থকাতো প্ৰাচ্যতত্ত্ব অধ্যয়নৰ এটা প্ৰাথমিক চৰ্ত স্বৰূপ।

পঞ্চম অধ্যায়ৰ শিৰোনাম "কৌটিল্যৰ অৰ্থশাস্ত্ৰঃ পৰিচয়"। প্ৰাচীন ভাৰতৰ ৰাজনীতি, অৰ্থনীতি আৰু সমাজনীতিত 'অৰ্থশাস্ত্ৰ'ৰ প্ৰভাৱ গভীৰ। এই গ্ৰন্থৰ প্ৰণেতা আছিল কৌটিল্য। এই অধ্যায়টো আপুনি অৰ্থশাস্ত্ৰৰ প্ৰণেতা, অৰ্থশাস্ত্ৰত সন্নিৱিষ্ট কৰা বিষয়সমূহ আৰু ভাৰতীয় পৰম্পৰাত অৰ্থশাস্ত্ৰৰ গুৰুত্ব সম্পৰ্কে আলোচনা পঢ়িবলৈ পাব। "চৰক সংহিতাঃ সাধাৰণ আলোচনা" শীৰ্ষক ষষ্ঠ অধ্যায়ত আয়ুৰ্বেদ শাস্ত্ৰ সম্বন্ধিত চৰক সংহিতাৰ পৰিচয় লাভ কৰিব। পাঠ্যবিষয়ৰ সপ্তম তথা শেষ অধ্যায়ত অসমত ৰচিত হোৱা সংস্কৃত কাব্যসমূহৰ পৰিচয় লাভ কৰিব। ইয়াৰ পৰা এই পাঠ্যবিষয়ৰ শিক্ষাৰ্থীয়ে আমাৰ নিজ ৰাজ্য অসমতো যে অতীজৰে পৰা সংস্কৃতৰ চৰ্চা চলি আহিছে তাৰ আভাস পাব, লগতে অসমীয়া কাব্য-সাহিত্য আৰু অন্যান্য ব্যৱহাৰিক পুথিৰ ৰচোতাসকলে আঞ্চলিক উপাদান লৈ ৰচনা কৰা সংস্কৃত কাব্য-গ্ৰন্থসমূহৰ মাজেদি তেওঁলোকৰ মৌলিক প্ৰতিভা আৰু সংস্কৃত ভাষাত বিষয়বস্তু উপস্থাপনৰ শৈলী সম্পৰ্কে ধাৰণা লাভ কৰিব।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ

সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্রগতিৰ খতিয়ান'ত সন্নিৱিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্রশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।